**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বেচৰকাৰী শিক্ষানুষ্ঠানসমূহৰ মাচুল নিয়ন্ত্ৰণ ব্যৱস্থা শক্তিশালী কৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্ত গ্ৰহণ।

২। দেশৰ ৫৩ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে আজি ন্যায়াধীশ সূৰ্য কান্তৰ শপত গ্ৰহণ।

৩। নিষিদ্ধঘোষিত সংগঠন আলফা স্বাধীনৰ সাধাৰণ সম্পাদক অৰুণোদয় দহোটীয়াৰ আত্মসমৰ্পণ।

৪। আজি লাচিত দিৱস। ৰাজ্য চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত যোৰহাটত কেন্দ্ৰীয়ভাৱে ‘বীৰ লাচিত দিৱস’ পালনৰ কাৰ্যসূচী। আৰু

৫। গুৱাহাটী টেষ্টৰ কালি কোনো উইকেট নেহেৰুৱাকৈ সংগ্ৰহ কৰা ৯ ৰানৰ পৰা ভাৰতৰ প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ।

০০০০০০

ৰাজ্য চৰকাৰে এতিয়াৰে পৰা সংখ্যালঘু লোকৰ দ্বাৰা পৰিচালিত বিদ্যালয়সমূহৰ মাচুল আন ব্যক্তিগত শিক্ষানুষ্ঠানসমূহৰ দৰে নিৰীক্ষণ আৰু নিৰূপণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ পাছত এখন সংবাদ মেলত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যজুৰি বেচৰকাৰী শিক্ষানুষ্ঠানসমূহৰ মাচুল নিয়ন্ত্ৰণ ব্যৱস্থা শক্তিশালী কৰা আৰু দায়বদ্ধতা বৃদ্ধিৰ উদ্দেশ্যে ৰাজ্যিক মন্ত্ৰীসভাই অসম বে-চৰকাৰী শিক্ষানুষ্ঠান (মাচুল নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক ২০২৫ত অনুমোদন জনাইছে। মন্ত্ৰীসভাই লগতে কয়, যে প্ৰাদেশিকীকৃত বিদ্যালয়-মহাবিদ্যালয়ৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ দৰমহা প্ৰতি বছৰে ৬ শতাংশকৈ বৃদ্ধিৰ ক্ষেত্ৰতো সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে এনে কৰ্মচাৰীসকলৰ দৰমহা বৃদ্ধিৰ ব্যৱস্থা নাছিল বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰীসভাই অসম প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ বদলিৰ নিয়মাৱলী সংশোধনী বিধেয়কতো অনুমোদন জনায়। ইয়াৰ জৰিয়তে ৰাজ্যৰ দুৰ্গম আৰু সমস্যা জৰ্জৰ অঞ্চলত সেৱা আগবঢ়োৱা শিক্ষকসকলৰ বাবে বাধ্যতামূলক সেৱাৰ সময়ছোৱাত শিথিলতাৰ ব্যৱস্থা কৰা হৈছে।

ৰাজ্যিক মন্ত্ৰীসভাই ৰাজ্যত উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ হিচাপে আজিম প্ৰেমজি বিশ্ববিদ্যালয় স্থাপনত অনুমোদন জনায়। সমাগত বিধানসভাৰ অধিৱেশনত আজিম প্ৰেমজি বিশ্ববিদ্যালয় বিধেয়ক, ২০২৫ৰ খচৰা দাখিল কৰা হ'ব। কামৰূপ জিলাৰ পলাশবাৰীত এই বিশ্ববিদ্যালয়খন স্থাপন কৰা হ'ব। একেদৰে অসম ব্যক্তিগত বিশ্ববিদ্যালয় আইনৰ অধীনত নেৰিম বিশ্ববিদ্যালয় স্থাপনতো মন্ত্ৰীসভাই অনুমোদন জনায়। ইপিনে মৰিগাঁও জিলাৰ

জাগীৰোডৰ কেন্দ্ৰীয় বিদ্যালয়ৰ এটা স্থায়ী চৌহদ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় বিদ্যালয় সংগঠনক মন্ত্ৰীসভাই ২৪ বিঘা মাটিৰ আৱণ্টনত অনুমোদন জনায়।

মন্ত্ৰীসভাৰ বৈঠকত কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদ এলেকাৰ বাহিৰত বাস কৰা কাৰ্বি লোকসকলৰ বাবে কাৰ্বি কল্যাণ স্বায়ত্ব শাসিত পৰিষদ বিধেয়ক বিধানসভাত উত্থাপনৰ বাবে সিদ্ধান্ত লোৱা হয়।

০০০০০০

ন্যায়াধীশ সূৰ্য কান্তে আজি দেশৰ ৫৩ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত ন্যায়াধীশগৰাকীক দেশৰ মুখ্য ন্যায়াধীশ হিচাপে পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱাব। ন্যায়াধীশ বি আৰ গাভাইৰ কাৰ্যকাল কালি সামৰণি পৰাৰ পাছত ন্যায়াধীশ সূৰ্য কান্তে দায়িত্বভাৰ গ্ৰহণ কৰিব। তেওঁ প্ৰায় ১৫ মাহ দেশৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব আৰু ২০২৭ চনৰ ৯ ফেব্ৰুৱাৰীত তেওঁৰ কাৰ্যকালৰ অন্ত পৰিব। যোৱা ৩০ অক্টোবৰত ন্যায়াধীশ কান্তক দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল।

০০০০০০

নিষিদ্ধঘোষিত সংগঠন আলফা স্বাধীনৰ সাধাৰণ সম্পাদক অৰুণোদয় দহোটীয়াই কালি আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। নিষিদ্ধঘোষিত সংগঠনটোৰ বিত্ত সচিবৰ দায়িত্বত থকা জ্যেষ্ঠ নেতাগৰাকীয়ে ভাৰত-ম্যানমাৰ সীমান্ত তথা অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ পাংচুপাচত আছাম ৰাইফলছ আৰু অসম আৰক্ষীৰ এটা দলৰ ওচৰত আত্মসমৰ্পণ কৰে। ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অভিজিৎ গৌৰৱ দিলীপৰ নেতৃত্বত যোৱা অসম আৰক্ষীৰ এটা দলে শ্ৰীদহোটীয়াক অসমলৈ লৈ আহে। উল্লেখযোগ্য যে অৰুণোদয় দহোটীয়াৰ লগতে আন এজন কেডাৰ তথা তেওঁৰ দেহৰক্ষী ফ্ৰান্সেচ অসমেও আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণৰ সময়ত অৰুণোদয় দহোটীয়া আৰু তেওঁৰ দেহৰক্ষীয়ে আৰক্ষীৰ হাতত দুটা ৯ এম এম পিষ্টল, ৪টা মেগজিন, ৫২ জাঁই সজীৱ গুলী, ৩টা স্মাৰ্টফোন, এটা টেবলেট আৰু ছেটেলাইট ফোনকে ধৰি বৃহৎ পৰিমাণৰ সামগ্ৰী জমা দিয়ে। ডিব্ৰুগড় জিলাৰ চাবুৱাৰ নাদুৱা গোহাঁইগাঁৱৰ বিজিত গগৈয়ে ২০০১ চনত আলফাত যোগদান কৰে আৰু সংগঠনটোত তেওঁ অৰুণোদয় দহোটীয়া নামেৰে পৰিচিত হৈ পৰে।

০০০০০০

আজি লাচিত দিৱস। শৰাইঘাটৰ যুদ্ধত মোগলৰ বিৰুদ্ধে পৰাক্ৰমেৰে যুঁজি অসম আৰু অসমীয়া জাতিক ৰক্ষা কৰা বীৰ লাচিত বৰফুকনক সুঁৱৰি প্ৰতিবছৰে ২৪ নৱেম্বৰত তেওঁৰ জয়ন্তী লাচিত দিৱস হিচাপে পালন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বীৰ পুৰুষজনাৰ ৪০৩ সংখ্যক জয়ন্তীত ৰাজ্যবাসীলৈ ওলগ জনাইছে। এই উপলক্ষে ৰাজ্য চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু যোৰহাট জিলা প্ৰশাসনৰ সহযোগত কেন্দ্ৰীয়ভাৱে ‘বীৰ লাচিত দিৱস’ পালনৰ আয়োজন কৰা হৈছে। যোৰহাট জিলাৰ হোলোঙাপাৰৰ লাচিত মৈদামত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সভাত যোৰহাট কাকজান মহাবিদ্যালয়ৰ অধ্যাপক তোফেল জিলানী নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব।

০০০০০০

ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ কাম আৰম্ভ হৈছে। বুথ পৰ্যায়ৰ বিষয়াসকলে ইতিমধ্যে ঘৰে ঘৰে গৈ প্ৰতিগৰাকী ভোটাৰৰ তথ্য সংগ্ৰহ কৰিছে। ২০ ডিচেম্বৰলৈকে ভোটাৰৰ তথ্য সংগ্ৰহ কৰা হ'ব। ২০২৬ চনৰ ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হোৱা তথা যোগ্য ভোটাৰৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰা হ'ব।

**দৰং জিলাত** ইয়াৰ বাবে ৮৬৪ গৰাকী বুথ পৰ্যায়ৰ বিষয়া আৰু ৮৪ গৰাকী পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। **বৰপেটা জিলা**তো বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ ভোটাৰৰ তথ্য পৰীক্ষা কৰিছে। জিলাখনত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ কামকাজ সন্দৰ্ভত বৰপেটা সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়া বিদ্যুৎ কুমাৰ দাসে আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়-

*(বাইট ঃ বিদ্যুৎ কুমাৰ দাস)*

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কামৰূপ মহানগৰ জিলাৰ ক্ষেত্ৰীত আজি ইজৰাইলৰ ৰাষ্ট্ৰদূত ৰিঅ'ভেন আজাৰৰ উপস্থিতিত **ইণ্ডো-ইজৰাইল চেণ্টাৰ অব এক্সেলেন্স ফৰ ভিজিটেবলছ** শীৰ্ষক কেন্দ্ৰটো উদ্বোধন কৰিব। অসম ৰাজ্যিক উদ্যান শস্য অভিযানৰ অধীনত ভাৰত-ইজৰাইল কৃষি প্ৰকল্প অৰ্থাৎ আই আই এ পিৰ অংশীদাৰিত্বৰে এই কেন্দ্ৰটো স্থাপন কৰা হৈছে। অত্যাধুনিক প্ৰযুক্তিৰ সুবিধাৰে সুসজ্জিত এই কেন্দ্ৰটোৰ জৰিয়তে বাণিজ্যিক মূল্য থকা শস্যৰ উৎপাদনত গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি বছৰজোৰা খেতিৰ বাবে কৌশলগত পৰিকল্পনাৰে কৃষকসকলক উপকৃত কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি নামৰূপৰ ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পৰেচন লিমিটেড চমুকৈ বি ভি এফ চি এল পৰিদৰ্শন কৰি কোম্পানীটোৰ বিভিন্ন কামকাজৰ পৰ্যালোচনা কৰে। তেওঁ লগতে নামৰূপ সাৰ কাৰখানাৰ চৌহদতে নিৰ্মাণ হ'বলগীয়া অসম ভেলী ফাৰ্টিলাইজাৰ এণ্ড কেমিকেলছ কোম্পানী লিমিটেড চমুকৈ এ ভি এফ চি চি এল প্ৰকল্পৰ কামকাজৰ অগ্ৰগতিৰ খতিয়ান লয়।

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ লগতে পূব ভাৰতত সাৰৰ যোগান শৃংখলা প্ৰসাৰিত কৰা আৰু কৃষকসকলক উপকৃত কৰাৰ লক্ষ্যৰে ১০ হাজাৰ কোটি টকাৰো অধিক বিনিয়োগেৰে নামৰূপৰ চতুৰ্থটো সাৰ আৰু ৰাসায়নিক প্ৰকল্প নিৰ্মাণ কৰা হ'ব। এই নতুন ব্ৰাউণ্ডফিল্ড এম'নিয়া-ইউৰিয়া প্ৰকল্পৰ উৎপাদন ক্ষমতা হ'ব প্ৰতি বছৰে ১২ লাখ ৫০ হাজাৰ মেট্ৰিকটন। ইতিমধ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাই এই প্ৰকল্পত অনুমোদন জনাইছে। এই অভিলাসি পদক্ষেপে কৃষি উৎপাদনশীলতা বৃদ্ধি কৰাৰ লগতে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব আৰু ঔদ্যোগীক আন্তঃগাঁথনি শক্তিশালী কৰি উত্তৰ-পূৰ্বাঞ্চলক দক্ষিণ-পূব এছিয়াৰ অন্যতম উৎপাদনশীল কেন্দ্ৰ হিচাপে গঢ়ি তোলাত সহায় কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

গোৱাৰ পানাজীত যোৱা ২০ নৱেম্বৰৰ পৰা অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ-IFFI-ত আজি **নিম' নৰ্থ-ইষ্ট ফিল্ম এণ্ড ফিল্ম স্কুল** বিষয়ক এখন আলোচনা চক্ৰত অসমৰ ৰীমা বৰা, মহৰ্ষি তুহিন কাশ্যপৰ লগতে মণিপুৰৰ থাউবা পৱন কুমাৰে অংশ ল'ব। আলোচনাচক্ৰখন সঞ্চালনা কৰিব মেঘালয়ৰ চলচ্চিত্ৰ পৰিচালক ড'মিনিক চাংমায়ে। সন্ধিয়া পাঁচ বজাত ফ্ৰান্স আৰু স্পেইনৰ যুটীয়া প্ৰযোজনাৰ ছবি **চিৰাগ**

প্ৰদৰ্শিত হ'ব। এই ছবিখনৰ পৰিচালক **অলিভাৰ লাক্স**। মহোৎসৱ সন্দৰ্ভত গোৱাৰ পৰা এয়া চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদৰ বিশেষ প্ৰতিবেদন

বাইট

এছিয়াৰ অন্যতম পুৰণি আৰু সন্মানীয় এই চলচ্চিত্ৰ মহোৎসৱত দেশ-বিদেশৰ চলচ্চিত্ৰ নিৰ্মাতা, শিল্পী, কলাকুশলী তথা চলচ্চিত্ৰ প্ৰেমীসকলৰ উপস্থিতি দেখা গৈছে। এইবাৰৰ মহোৎসৱত জাপানক বিশেষ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰ হিচাপে মৰ্যাদা দিয়া হৈছে। তদুপৰি স্পেইন, সহযোগী ৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াক মূল আকৰ্ষণ হিচাপে ৰখা হৈছে। মহোৎসৱত ৮০ খনতকৈও অধিক দেশৰ অতিথি আৰু চলচ্চিত্ৰ নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিছে। আঠ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱ ২৮ নৱেম্বৰত সামৰণি পৰিব।

০০০০০০

ধেমাজিত আহোমসকলৰ প্ৰতিবাদ, অৰুণোদয় দহোটীয়াৰ আত্মসমৰ্পণ, তিৱাৰী আয়োগৰ লগতে দাখিল হ'ব মেহতা আয়োগৰো প্ৰতিবেদন আদি বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

প্ৰতিবেশী ৰাষ্ট্ৰ বাংলাদেশৰ ভূ-গৰ্ভৰ তিনিখনকৈ প্লেটৰ সঘনাই হোৱা সংঘৰ্ষৰ পৰিণতি স্বৰূপে বছৰি দুই ইঞ্চিকৈ উত্তৰ-পূবৰ দিশে আগবাঢ়িছে দেশখনৰ ভূ-খণ্ড। কলম্বিয়া বিশ্ববিদ্যালয়ৰ এটা বিজ্ঞানীৰ দলে বাংলাদেশৰ ভূত্বক সম্বন্ধিয় গৱেষণাৰ এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে।

বিভিন্ন পক্ষৰ বিৰোধিতা আৰু আশংকাৰ মাজতে অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী পৰ্ব আৰম্ভ হৈছে। এই বাতৰি আমাৰ অসম কাকতৰ। ইপিনে বৃদ্ধি হ'ব অতিৰিক্ত ১৮ লাখ ভোটাৰ শিৰোনামেৰে দৈনিক অসম কাকতে এই একেটা বাতৰি বিস্তৃত ৰূপত প্ৰকাশ কৰিছে।

ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত অহা ২৮ নৱেম্বৰত জনজাতিকৰণৰ প্ৰতিবেদন সন্দৰ্ভত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

আলফা স্বাধীনৰ বিত্ত সচিব অৰুণোদয় দহোটীয়াই দেহৰক্ষীসহ আত্মসমৰ্পণ কৰা বাতৰিটো দি আছাম ট্ৰিবিউন, নিয়মীয়া বাৰ্তা আৰু অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

বৃহৎ নদীবান্ধে সলাব ছিয়াঙৰ ৰূপৰেখা দৈনিক অগ্ৰদূত কাকতে অৰুণাচলত থকা ব্ৰহ্মপুত্ৰৰ অংশত চৰকাৰৰ বৃহৎ জলবিদ্যুৎ প্ৰকল্প স্থাপন সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

যশস্বী কথাশিল্পী ইমৰাণ শ্বাহৰ ৯৩ সংখ্যক ওপজা দিন শিৱসাগৰত উদযাপনৰ দিনটো অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে।

দ্যা ছেণ্টিনেল কাকতে তিৱাৰী আয়োগৰ লগতে মেহতা আয়োগৰো প্ৰতিবেদনক লৈ ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাত হোৱা ঐতিহাসিক সিদ্ধান্ত সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত দ্বিতীয় ক্ৰিকেট টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে কালি এটাও উইকেট নেহেৰুওৱাকৈ সংগ্ৰহ কৰা ৯ ৰানৰ পৰা নিজৰ প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। কালি দ্বিতীয় দিনাৰ খেলৰ অন্তত যশস্বী জয়ছোৱালে ৭ আৰু কে এল ৰাহুলে ২ ৰান কৰি খেলি আছিল। ভাৰত সম্প্ৰতি ৪৮০ ৰানত পিছ পৰি আছে।

ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৪৮৯ ৰাণ সংগ্ৰহ কৰে। দক্ষিণ আফ্ৰিকাৰ ছেনুৰান মুথুস্বামীয়ে ১০৯ ৰান কৰাৰ লগতে মাৰ্কো জেনচেনে ৯৩ ৰাণ কৰে। মুথুস্বামীৰ এয়া হৈছে টেষ্ট ক্ৰিকেটত প্ৰথমটো শতক। ভাৰতৰ হৈ কুলদীপ যাদৱে চাৰিটা উইকেট দখল কৰাৰ বিপৰীতে ৰবীন্দ্ৰ জাদেজা, জছপ্ৰীত বুমৰা আৰু মহম্মদ ছিৰাজে দুটাকৈ উইকেট লাভ কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পৰৱৰ্তী সময়ত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মণিপুৰ, মিজোৰাম, অৰুণাচল, অসম, মেঘালয় আৰু নাগালেণ্ডৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত